# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-DEC.-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১।	বিৰোধী পক্ষৰ হুলস্থূলীয়া প্ৰতিবাদৰ বাবে সংসদৰ শীতকালীন অধিবেশনৰ আজি প্ৰথম দিনৰ কামকাজ স্থগিত।

২।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নগাঁও জিলাত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ আৰু যমুনামুখত ৰে'লৰে উৰণ সেতু উদ্বোধন।

৩।	ইষ্ট-ৱেষ্ট কৰিড'ৰৰ ডিমা-হাচাও জিলাৰ অংশ জানুৱাৰী মাহত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা।

*আৰু*

৪।	দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব এইডছ্ দিৱস পালন।

ooooo

দেশৰ কেইবাখনো ৰাজ্যত ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধন চমুকৈ এছ্ আই আৰ আৰু মণিপুৰৰ জি এছ্ টি বিধেয়ককে ধৰি বিভিন্ন বিষয়ৰ প্ৰতিবাদত বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে সংসদৰ শীতকালীন অধিবেশনৰ আজি প্ৰথম দিনৰ কামকাজ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত লোকসভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ পাছতে অধ্যক্ষ ওম বিৰলাই সদ্যপ্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ, অৱসৰপ্ৰাপ্ত কৰ্ণেল সোণাৰাম চৌধাৰী, অধ্যাপক বিজয় কুমাৰ মালহোত্ৰা আৰু ৰবি নায়কলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পাছতে প্ৰশ্নোত্তৰ কাল আৰম্ভ হোৱাৰ লগে লগে বিৰোধী দলৰ সদস্যসকলে এছ্ আই আৰ আৰু আন কেইবাটাও বিষয়ৰ প্ৰতিবাদত শ্ল'গান দি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। তেওঁলোকে এই সম্পৰ্কত সদনত আলোচনাৰ বাবে দাবী জনায়। অধ্যক্ষ ওম বিৰলাই সদস্যসকলক সংযত হ'বলৈ আহ্বান জনাই যদিও বিৰোধী দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত লোকসভাৰ কাম-কাজ প্ৰথমে দিনৰ ১২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। ১২ বজাৰ পাছত সদন পুনৰ মিলিত হোৱাত বিৰোধী দলৰ সদস্যসকলে অনুৰূপ ধৰণে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাত সদন দুই বজালৈকে আৰু ইয়াৰ পাছত সদন দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

বিৰোধীৰ প্ৰতিবাদৰ মাজতে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী বিধেয়ক ২০২৫ আৰু কেন্দ্ৰীয় আবকাৰী সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে। এই আবকাৰী সংশোধনী বিধেয়কৰ জৰিয়তে ধপাতজাতীয় সামগ্ৰীৰ ওপৰত অধিক আবকাৰি শুল্ক আৰোপ কৰা হ'ব।

ৰাজ্যসভাত আজি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে দেশৰ উচ্চ সদনৰ সভাপতি ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। সদনত আজি জম্মু-কাশ্মীৰ নেচনেল কনফাৰেন্সৰ গুৰবিন্দৰ সিং অবেৰয়, চৌধৰী মহম্মদ ৰমজান আৰু চাজ্জাদ আহমেদ কিছলুৱে সাংসদ হিচাপে শপত গ্ৰহণ কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কঠিয়াতলীত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। সমষ্টিটোৰ ৩৩ হাজাৰ ৬২৫গৰাকী মহিলাক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰা হয়। ইয়াৰে প্ৰায় ৩২ হাজাৰ মহিলা গ্ৰামাঞ্চলৰ বুলি আমাৰ নগাঁৱৰ সংবাদদাতাই জানিবলৈ দিছে। অনুষ্ঠানত সমবেত ৰাইজক সম্বোধন কৰি ড০ শৰ্মাই কয় যে ইতিমধ্যে ৰাজ্যখনত প্ৰায় ১০ লাখ মহিলাই এই আঁচনিৰ জৰিয়তে ধন লাভ কৰিছে আৰু আমাৰ নাৰী শক্তিক স্বাৱলম্বী কৰাত এই আঁচনিয়ে যথেষ্ট সহায় কৰিছে। অহা ফেব্ৰুৱাৰী মাহৰ ভিতৰত আৰু প্ৰায় ১৫ লাখ মহিলাক এই আঁচনিৰ অধীনত ধন বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

**বাইট**

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত যমুনামুখত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰো শুভাৰম্ভ কৰে। তেওঁ যমুনামুখ ৰে'লৰে উৰণ সেতুখনৰো আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উৰণ সেতুখন উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে এই নিৰ্মাণে অঞ্চলটোত যান-জঁটৰ সমস্যা হ্ৰাস কৰি জনসাধাৰণক যাতায়তৰ ক্ষেত্ৰত যথেষ্ট সুবিধা প্ৰদান কৰিব।

ooooo

অহা মাহৰ প্ৰথম ভাগতে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন মুকলি কৰাৰ বাবে নিৰ্মাণকাৰী সংস্থাই প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। দলংখনৰ নিৰ্মাণৰ ৯০ শতাংশ কাম প্ৰায় সম্পূৰ্ণ হৈছে বুলি লোক নিৰ্মাণ বিভাগৰ কৰ্তৃপক্ষৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন বছৰৰ জানুৱাৰীত দলংখন মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে। ছটা লেনযুক্ত দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে দিনে-নিশাই কাম অব্যাহত আছে।

ooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ১৯৯৮ চনত দেশৰ পূব আৰু পশ্চিম প্ৰান্তত সকলো বতৰ উপযোগী উন্নত ঘাইপথেৰে সংযোগ কৰাৰ বাবে শিলচৰৰ পৰা গুজৰাটৰ সৌৰাষ্ট্ৰলৈ ইষ্ট-ৱেষ্ট কৰিড'ৰৰ নিৰ্মাণৰ বিষয়ে ঘোষণা কৰিছিল। কিন্তু প্ৰায় ৩ হাজাৰ ৩০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেই ঘাইপথটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ নুঠিল। অসমৰ ডিমা হাছাও জিলাৰ হাৰাংগাজাওৰ সমীপত এই নিৰ্মাণ কাৰ্য স্থবিৰ হৈ ৰ'ল। শেহতীয়াকৈ ইষ্ট-ৱেষ্ট কৰিড'ৰৰ এই অংশ নিৰ্মাণ কাৰ্য অহা মাহত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিছে। এই সম্পৰ্কে আমাৰ বিশেষ প্ৰতিবেদন-

**বাইট(ৰাজীৱ লোচন বৰঠাকুৰ)**

ooooo

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব এইডছ্ দিৱস পালন কৰা হৈছে। অসম ৰাজ্যিক এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে বিশ্ব এইডছ্ দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত হৈছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **অন্তৰায় অতিক্ৰমী এইডছৰ বিৰুদ্ধে যুঁজ দিওঁ আহক**।

দক্ষিণ শালমৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত আজি জিলা এইডছ্ নিয়ন্ত্ৰণ সমিতি, জিলা স্বাস্থ্য সমিতি আৰু অসম ৰাজ্যিক এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ যৌথ উদ্যোগত বিশ্ব এইডছ্ দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে স্বাস্থ্য কৰ্মী আৰু অংগনবাড়ী কৰ্মীসকলে এইডছৰ সজাগতামূলক সমদল উলিওৱাৰ লগতে জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰ্যালয়ত সজাগতামূলক সভা অনুষ্ঠিত কৰে। এইডছ্ দিৱসৰ সৈতে সংগতি ৰাখি স্বাস্থ্য কৰ্মী আৰু সমাজ কল্যাণ বিভাগৰ কৰ্মচাৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ধুবুৰী জিলা স্বাস্থ্য বিভাগে বিশ্ব এইডছ্ দিৱস উপলক্ষে আজি বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰে। এই উপলক্ষে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জ্যোতি কুমাৰ দাসৰ নেতৃত্বত এটা শোভাযাত্ৰা উলিওৱা হয়। জিলাখনত এইডছ্ আক্ৰান্তৰ সংখ্যা বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত সম্প্ৰতি প্ৰায় ২০০ গৰাকী এইডছ্ আক্ৰান্ত লোক থকা বুলি স্বাস্থ্য বিভাগে প্ৰকাশ কৰিছে।

বিশ্বনাথ জিলাৰ বৰগাং উচ্চ মাধ্যমিক বিদ্যালয়ত জিলা স্বাস্থ্য সমিতি আৰু জিলা এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত তথা বিহালী প্ৰেছ ক্লাবৰ সহযোগত বিশ্ব এইডছ্ দিৱস পালন কৰা হয়। এই উপলক্ষে সজাগতামূলক সভা অনুষ্ঠিত কৰাৰ লগতে এইডছ্ বিৰোধী সমদলো উলিওৱা হয়।

বিশ্ব এইডছ্ দিৱস উপলক্ষে আজি ধেমাজি জিলাৰ পি এম শ্ৰী নৱোদয় বিদ্যালয়ত জিলা স্বাস্থ্য বিভাগে সজাগতা সমদল, তথ্যচিত্ৰ প্ৰদৰ্শন আৰু সভা অনুষ্ঠিত কৰে।

ৰাজ্যৰ অন্যান্য প্ৰান্ততো বিভিন্ন স্বেচ্ছাসেৱী সংস্থা আৰু সংগঠনৰ উদ্যোগত এইডছ্ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুযায়ী আজি নগাঁও জিলাৰ বেবেজিয়াত জলচ্ছেদ মহোৎসৱ অনুষ্ঠিত হয়। ভূমি সংৰক্ষণ বিভাগৰ নগাঁও সংমণ্ডলৰ উদ্যোগত অনুষ্ঠিত এই মহোৎসৱত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত ৰাজ্যৰ ২৪খন জিলাৰ ৩১টা জলচ্ছেদ প্ৰকল্প নিৰ্মাণ কাৰ্যৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰা হয়। ইয়াৰ লগতে ইতিপূৰ্বে নিৰ্মাণ সম্পূৰ্ণ হোৱা ৮৬টা প্ৰকল্প আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰি দিয়া হয়। ইয়াৰ উপৰি এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীৰ কৃষি সিঞ্চাই যোজনা আঁচনি ৰূপায়ণত উন্নত প্ৰদৰ্শন দাঙি ধৰা কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, কাৰ্বি আংলঙকে ধৰি মুঠ সাতখন জিলালৈ ২০ লাখকৈ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। মন্ত্ৰী শ্ৰীব্ৰহ্মই প্ৰকাশ কৰা অনুসৰি ৰাজ্যত ১৮৪টা জলচ্ছেদ প্ৰকল্পৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। আজিৰ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে লগতে কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজোৰিয়া, ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সঞ্চালক প্ৰদীপ দত্তকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত